**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-05-2026 **Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

০০০০০

১। পশ্চিমবংগত চৰকাৰ সলনি হোৱাৰ পাছত ৰাজ্যখনৰ আৰক্ষীয়ে আইন শৃংখলা আৰু ৰাজনৈতিক হিংসাৰ সৈতে জড়িত পূৰ্বৰ গোচৰসমূহৰ সন্দৰ্ভত কঠোৰ স্থিতি গ্ৰহণ কৰিছে।

২। তামিলনাডুৰ নৱনিৰ্বাচিত চৰকাৰখনে আজি বিধানসভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব।

৩। কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ষোড়শ পেঞ্চন আদালতৰ অধ্যক্ষতা কৰিব।

৪। লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ নেতৃত্বত ভাৰতীয় সংসদীয় প্ৰতিনিধিৰ এটা উচ্চস্তৰীয় দল আজি ভূটানলৈ যাব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৮২ ৰানত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত স্থান লাভ কৰিছে।

০০০০০০০

পশ্চিমবংগত চৰকাৰ সলনি হোৱাৰ পাছত ৰাজ্যখনৰ আৰক্ষীয়ে আইন শৃংখলা আৰু ৰাজনৈতিক হিংসাৰ সৈতে জড়িত পূৰ্বৰ গোচৰসমূহৰ সন্দৰ্ভত কঠোৰ স্থিতি গ্ৰহণ কৰিছে। আইন শৃংখলা বিভাগৰ অতিৰিক্ত সঞ্চালকপ্ৰধানে কালি এই সন্দৰ্ভত আৰক্ষী আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু ৰে'ল আৰক্ষীলৈ তাৎক্ষণিক ব্যৱস্থাৰ এলানি বিস্তৃত নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ পাছত ৰাজ্যখনত হোৱা ৰাজনৈতিক হিংসাৰ সৈতে জড়িত গোচৰসমূহৰ সঠিক পৰ্যবেক্ষণৰ নিৰ্দেশ দিয়া হৈছে। এই গোচৰসমূহৰ ভিতৰত ইতিমধ্যে চূড়ান্ত প্ৰতিবেদন দাখিল হোৱা গোচৰসমূহকো অন্তৰ্ভুক্ত কৰা হৈছে। পূৰ্বৰ তদন্তত গাফিলতি হোৱা বুলি অভিযোগ থকা গোচৰসমূহৰ পুনৰ সঠিক তদন্তৰো নিৰ্দেশ দিয়া হৈছে। ইয়াৰ সমান্তৰালভাবে ৰাজ্যখনৰ আৰক্ষীয়ে অহা শুকুৰবাৰৰ ভিতৰত আৰক্ষী চকীসমূহত জমা থকা অস্ত্ৰ-শস্ত্ৰসমূহৰ সঠিক নিৰীক্ষণ কৰিবলৈও নিৰ্দেশ দিছে। ইয়াৰ পাছত অবৈধ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী পুনৰ উদ্ধাৰ কৰাৰ বাবে দুসপ্তাহ জোৰা বিশেষ অভিযান চলোৱা হ'ব বুলিও আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

তামিলনাডুৰ নৱনিৰ্বাচিত চৰকাৰখনে আজি বিধানসভাত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব। মুখ্যমন্ত্ৰী চি যোচেফ বিজয়ে ইয়াৰ পূৰ্বে সমৰ্থন বিচাৰি সহযোগী দলসমূহৰ নেতাসকলৰ সৈতে কেইবাখনো বৈঠকত

মিলিত হৈছে। সহযোগী দলসমূহৰ সমৰ্থনৰ লগতে টি ভি কে চৰকাৰখনে এ আই এ ডি এম কে দলৰ পৰা আঁতৰি অহা গোট আৰু আম্মা মক্কল মুনেত্ৰ কড়গমৰ একমাত্ৰ বিধায়ক এছ্ কামাৰাজৰ পৰাও সমৰ্থন লাভ কৰিছে।

ইয়াৰ মাজতে তামিলনাডুৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক নাটকীয় পৰিৱৰ্তন পৰিলক্ষিত হয়। চৰকাৰৰ প্ৰতি সমৰ্থন নবঢ়োৱা বিষয়টোক লৈ অখিল ভাৰতীয় আন্না দ্ৰাবিড় মুনেত্ৰ কড়গম দলটো দুটা ভাগত বিভাজিত হয়।

প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু দলৰ সাধাৰণ সম্পাদক এ কে পালানীস্বামী নেতৃত্বৰ গোটটোৱে দলৰ বিধায়কসকলক টি ভি কে চৰকাৰৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। জ্যেষ্ঠ নেতা এ কৃষ্ণমূৰ্তিয়ে এই বুলি সকিয়াই দিছে যে, দলীয় হুইপ উলংঘা কৰা বিধায়কসকলক দলৰ পৰা বহিস্কাৰ কৰা হ'ব। আনহাতে, ৩০গৰাকী বিধায়কৰ সমৰ্থন দাবী কৰা আনটো গোটে এছ্ পি বেলুমনিক এ আই ডি এম কেৰ বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰিছে। আম্মা মক্কল মুনেত্ৰ কড়গমৰ একমাত্ৰ বিধায়ক এছ্ কামৰাজে টি ভি কে চৰকাৰলৈ সমৰ্থন আগবঢ়োৱাৰ কথা ঘোষণা কৰাৰ পাছত তেওঁক দলৰ পৰা বহিস্কাৰ কৰা হৈছে।

০০০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেঞ্চন মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত হবলগীয়া যোড়শ পেঞ্চন আদালতত অধ্যক্ষতা কৰিব। ৩৭ টা মন্ত্ৰালয় আৰু বিভাগৰ দীৰ্ঘদিন ধৰি অমিমাংশিত হৈ থকা ৯৮৫ টা গোচৰ আজি নিষ্পত্তি কৰা হব। পেঞ্চন আৰু পেঞ্চনাৰ কল্যান বিভাগে প্ৰকাশ কৰা মতে পেঞ্চন ওজৰ আপত্তি সম্পৰ্কীয় জটিল আৰু দীৰ্ঘদিনীয়া গোচৰসমূহ নিষ্পত্তিৰ বাবে এই আদালত ফলপ্ৰসূ মঞ্চ হিচাপে পৰিগণিত হৈছে। এতিয়ালৈকে অনুষ্ঠিত ১৫ খন পেঞ্চন আদালতত প্ৰায় ২৮ হাজাৰ গোচৰ উত্থাপন কৰা হৈছে আৰু ইয়াৰে ২০ হাজাৰ টা গোচৰ ইতিমধ্যে এই আদালতত নিষ্পত্তি কৰা হৈছে।

০০০০০০০

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে যোৱা ৩ মে'ত অনুষ্ঠিত নীট ইউ জি–২০২৬ৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগত ৰাজস্থান আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে বৰ্তমানলৈকে ১৫ জন লোকক আটক কৰিছে। বিশেষ তদন্তকাৰী গোটে কালি জয়পুৰৰ পৰা মনীষ নামৰ এজন ষড়যন্ত্ৰকাৰীক গ্ৰেপ্তাৰ কৰে। ইয়াৰ পূৰ্বেও ৰাজস্থান আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে যোৱা ৭ মে'ত ডেৰাডুনৰ পৰা মূল ষড়যন্ত্ৰকাৰী ছিকাৰস্থিত কেৰিয়াৰ কাউন্সেলাৰ ৰাকেশ কুমাৰকে ধৰি পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছিল। সমান্তৰালকৈ NEETৰ চাৰিগৰাকী প্ৰত্যাশিত শিক্ষাৰ্থীকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, সন্দেহযুক্ত নেটৱৰ্কৰ পৰিসৰ আৰু পৰীক্ষাৰ পূৰ্বে প্ৰশ্নতাকতৰ প্ৰচাৰৰ সৈতে জড়িত ধনৰ লেনদেন সন্দৰ্ভত তদন্ত কৰি থকা হৈছে। উল্লেখ্য যে এন টি এই ইতিমধ্যে যোৱা ৩ মে'ত অনুষ্ঠিত নীট ইউ জি–২০২৬, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা বাতিল কৰিছে। সামাজিক মাধ্যমযোগে সংস্থাটোৱে প্ৰকাশ কৰিছে যে ছাত্ৰ–ছাত্ৰীসকলৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি আৰু পৰীক্ষা ব্যৱস্থাটোৰ প্ৰতি আস্থা বৰ্তাই ৰখাৰ উদ্দেশ্যে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

এই পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ অভিযোগ সন্দৰ্ভত বিস্তৃত তদন্তৰ বাবে বিষয়টো কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চি বি আইলৈ প্ৰেৰণ কৰা হৈছে। সংস্থাটোৱে প্ৰকাশ কৰা মতে পুনৰ নিৰ্ধাৰণ কৰা তাৰিখত এই পৰীক্ষা অনুষ্ঠিত হ'ব। পঞ্জীয়ন আৰু শিক্ষাৰ্থীৰ তথ্যৰ লগতে ২০২৬ চনৰ এই পৰীক্ষাৰ বাবে নিৰ্বাচিত কেন্দ্ৰসমূহ অপৰিৱৰ্তিত থাকিব বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। তদুপৰি নতুনকৈ কোনো মাচুল আৰু পঞ্জীয়নৰ প্ৰয়োজন নহ'ব বুলিও সংস্থাটোৱে স্পষ্ট কৰি দিছে।

0000000

লোকসভাৰ অধ্যক্ষ ওম বিৰলাৰ নেতৃত্বত ভাৰতীয় সংসদীয় প্ৰতিনিধি এই উচ্চস্তৰীয় দল আজি ভূটানলৈ যাব। ভাৰত আৰু ভূটানৰ মাজত থকা সম্পৰ্ক অধিক শক্তিশালী কৰাই হৈছে এই ভ্ৰমণৰ মূল উদ্দেশ্যে। ৫১ জনীয়া সদস্যৰ এই প্ৰতিনিধি দলটোত ৰাজ্যসভা আৰু লোকসভাৰ কেইবাগৰাকীও সাংসদৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ বিষয়াসকল থাকিব। প্ৰতিনিধি দলটোৱে ভাৰত আৰু ভূটানৰ মাজৰ সম্পৰ্কৰ বিভিন্ন দিশ সামৰি চুবুৰীয়া ৰাষ্ট্ৰ দুখনৰ মাজৰ সহযোগিতা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে কেইবালানিও,আলোচনাত মিলিত হ'ব। প্ৰতিনিধি দলটোৱে ভূটানৰ ৰজা আৰু প্ৰধানমন্ত্ৰীকো সাক্ষাৎ কৰিব।

0000000

মহাৰাষ্ট্ৰৰ জাট তহচিলত কালি অনুষ্ঠিত ধৰ্মীয় সভাৰ সময়ত এখন দেৱাল ভাঙি ৬ জন ভক্তৰ মৃত্যু হোৱাৰ লগতে প্ৰায় ১৫ জন লোক আহত হয়। ৩০০ৰো অধিক ভক্ত সমবেত হৈ থকা অঞ্চলটোত প্ৰচণ্ড বতাহ বৰষুণ অহাৰ ফলত প্ৰায় ৩০ জন ভক্তই আশ্ৰয় লোৱা দেৱাল এখন ভাঙি পৰাৰ ফলত ৬ জন লোকৰ মৃত্যু হয়। ইতিমধ্যে আহতসকলক চিকিৎসাৰ বাবে জাটৰ চিকিৎসালয় আৰু চাংলি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত দিয়া এটা পোষ্টত মহাৰাষ্ট্ৰৰ দেৱাল ভাঙি যোৱা ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে।

0000000

বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব সঞ্জয় কুমাৰে এন চি ই আৰ টি আৰু চি বি এছ ই যুটীয়াভাৱে তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কম্পিউটাৰ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যক্ৰম আৰম্ভ কৰিছে বুলি প্ৰকাশ কৰিছে। শ্ৰীকুমাৰে কয় যে গ্ৰীষ্মকালীন বন্ধৰ সময়ত শিক্ষকসকলক এই বিষয়ে প্ৰশিক্ষণ দিয়া হ'ব আৰু গ্ৰীষ্মবন্ধ খোলাৰ পাছত এই বিষয়সমূহ বিদ্যালয়ত আৰম্ভ কৰা হব। তেওঁ লগতে কয় যে এন চি ই আৰ টি য়ে নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰি উলিয়াইছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতা যোৱা নিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৮২ ৰানত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত স্থান লাভ কৰে। ১৬৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৪ অ'ভাৰ আৰু ৫ টা বলতেই আটাই কেইটা

উইকেট হেৰুৱাই ৮৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাট টাইটানছৰ হৈ কাগিছ' ৰাবাদা আৰু জেচন হোল্ডাৰে তিনিটাকৈ উইকেট দখল কৰাৰ লগতে প্ৰসিদ্ধ কৃষ্ণাই দুটা আৰু মহম্মদ চিৰাজ আৰু ৰশ্বিদ খানে এটাকৈ উইকেট লাভ কৰে। কাগিছ ৰাবাদাক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ টা উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। সাই সুদৰ্শনে সৰ্বাধিক ৬১ আৰু ৱাচিংটন সুন্দৰে ২০ ৰানৰ বৰঙণি আগবঢ়ায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ প্ৰফুল হিংগে আৰু ছাকিব হুচেইনে ২টাকৈ আৰু অধিনায়ক পেট কামিন্চে এটা উইকেট লাভ কৰে। প্ৰতিযোগিতাত আজি ৰায়পুৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

0000000

ৰাষ্ট্ৰীয় মহিলা আয়োগে কালি দিল্লী আৰক্ষীৰ সহযোগত মহিলা নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া ৰাহটকৰে মহিলাসকলক সময়মতে সমৰ্থন আৰু ন্যায় নিশ্চিত কৰাৰ বাবে ঘৰুৱা হিংসা আইনৰ অধীনত ফলপ্ৰসু যোগাযোগ অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে। অধ্যক্ষগৰাকীয়ে আয়োগে প্ৰেৰণ কৰা অভিযোগসমূহৰ শীঘ্ৰে নিষ্পত্তিৰ কৰিব বুলিও বৈঠকত মন্তব্য কৰে। আনহাতে, আৰক্ষী আয়ুক্ত সতীশ গ'লচাই মহিলাসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ দিশত দিল্লী আৰক্ষীয়ে ধাৰাবাহিকভাবে কাম কৰি আহিছে আৰু অভিযোগ পঞ্জীয়ন, দ্ৰুত সঁহাৰি আৰু ভুক্তভোগীক সহায়ৰ বাবে কেইবাটাও উদ্ভাৱনীমূলক ব্যৱস্থা গ্ৰহণ কৰিছে।

0000000

সমাপ্ত